# 2019

## ASSAMESE

## ( Major )

Paper : 5.5

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×৭=৭

(ক) ৰসবাদৰ মুখ্য প্ৰৱক্তা কোন ?

(খ) কাব্যৰ ক্ষেত্ৰত ৰস অপৰিহাৰ্য বুলি কোনে প্ৰথমে প্ৰকাশ কৰিছিল ?

(গ) "সকলো মহৎ সাহিত্যই ধ্ৰুপদী সাহিত্য।" কথাষাৰ শুদ্ধনে ?

(ঘ) অসমীয়া ভাষাত ৰমণ্যাসবাদ শব্দটো প্ৰথমে কোনে ব্যৱহাৰ কৰিছিল ?

(ঙ) "উৎকৃষ্ট শব্দৰ সুবিন্যাসেই কবিতা।" কোনে কৈছিল ?

(চ) নাটক শব্দটোৰ মূল কি ?

(ছ) উপন্যাসক 'পকেট থিয়েটাৰ' বুলি কোনে মন্তব্য কৰিছিল ?

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) ৰস সম্পৰ্কে দিয়া ভৰতৰ সূত্ৰটো কি?

(খ) ধ্ৰুপদী সাহিত্যৰ দুটা বৈশিষ্ট্য লিখা।

(গ) চৰিত্ৰপ্ৰধান নাটক কাক বোলে? এখন উদাহৰণ দিয়া।

(ঘ) চুটিগল্পৰ দুটা বৈশিষ্ট্য লিখা।

৩। (ক) ভৰতৰ মতে ৰস কেইটা আৰু কি কি? প্ৰতিটো ৰসৰ বিষয়ে আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) বিভাৱ, অনুভাৱ আৰু সঞ্চাৰী ভাৱ কাক বোলে, বহলাই লিখা। সঞ্চাৰী ভাৱক কিয় ব্যভিচাৰী ভাৱ বুলি কোৱা হয়? ৩+৩+৩+১=১০

৪। (ক) আধুনিকতাবাদ বুলিলে কি বুজা? ৰমণ্যাসবাদৰ লগত আধুনিকতাবাদৰ পাৰ্থক্য বিচাৰ কৰি এটি আলোচনা আগবঢ়োৱা। ২+৮=১০

*অথবা*

(খ) কাহিনীগীত বা মালিতা কাক বোলে? ইয়াৰ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰি এটি নিবন্ধ যুগুত কৰা। ২+৮=১০

৫। (ক) এৰিষ্ট'টলে দিয়া ট্ৰেজেদীৰ সংজ্ঞাটো উল্লেখ কৰি ট্ৰেজেদীৰ বিষয়ে আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) যি কোনো এটি অসমীয়া চুটিগল্পৰ আধাৰত চুটিগল্পৰ ইংগিতময়তা সম্পৰ্কে এটি বিশ্লেষণ আগবঢ়োৱা। ১০





৬। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) স্থায়ীভাৱ

(খ) ধ্ৰুৱবাদ

(গ) মহাকাব্য

(ঘ) নাটকীয় ঐক্য

(ঙ) উপন্যাস আৰু চুটিগল্পৰ পাৰ্থক্য

(চ) অসমীয়া জীৱনীমূলক উপন্যাস

★★★